**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-10-2025 **Time :** 1340 Hrs.

**<u>Assamese Midday Bulletin</u>**

০০০০০০০

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলনত প্ৰায় ১৩ হাজাৰ ৪৩০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ভালেমান উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

২। চৰকাৰে সন্ত্ৰাসবাদ, অপৰাধ আৰু দুৰ্নীতিৰ প্ৰতি শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে দোহাৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সন্ত্ৰাসবাদ, অৰ্থনৈতিক অস্থিৰতা আৰু জলবায়ু পৰিৱৰ্তনে কঢ়িয়াই অনা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হোৱাৰ বাবে ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্তমান প্ৰশাসনে ভাৰতৰ সৈতে শক্তিৰ সহযোগিতা গভীৰ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে আৰু এই সন্দৰ্ভত আলোচনা চলি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

***আৰু***

৫। ডেনমাৰ্ক অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতৰ লক্ষ্য সেন পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ এণ্ডাৰ্ছ এণ্ট'চেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলনত প্ৰায় ১৩ হাজাৰ ৪৩০ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ভালেমান উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই উদ্দেশ্যে শ্ৰীমোদী আজি পুৱা অন্ধ্ৰপ্ৰদেশত উপস্থিত হ'ব। মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে প্ৰধানমন্ত্ৰীক আদৰণি জনায়। আদৰণি জনোৱাৰ সময়ত ৰাজ্যপাল এছ্ আব্দুল নজিৰ আৰু ৰাজ্যখনৰ মন্ত্ৰী নাৰা লোকেশো উপস্থিত থাকে।

প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত উদ্যোগ, শক্তি, পথ, ৰে'লৰে, প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ, পেট্ৰোলিয়াম আৰু প্ৰাকৃতিক গেছ আদি খণ্ডৰ প্ৰকল্প আছে। এই প্ৰকল্পসমূহে ৰাজ্যখনৰ ঔদ্যোগিকীকৰণক

ত্বৰান্বিত কৰি সৰ্বাত্মক আৰ্থ-সামাজিক বিকাশৰ জৰিয়তে আঞ্চলিক আন্তঃগাঁথনি উন্নত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে সূচায়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে সমবেত জনসাধাৰণকো সম্বোধন কৰিব। তেওঁ লগতে নান্দয়াল জিলাৰ শ্ৰীচেইলমস্থিত শ্ৰীভ্ৰামৰাম্ব মল্লিকাৰ্জুন স্বামী ৰ্বৰ্লা দেৱস্থানম মন্দিৰ দৰ্শন কৰিব। তেওঁ শ্ৰীচেইলমে শিৱাজী স্ফূৰ্তি কেন্দ্ৰ ভ্ৰমণ কৰিব।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মহান ব্যক্তি বুলি অভিহিত কৰিছে। শ্ৰীট্ৰাম্পে কয়, যে তেওঁ মালয়েছিয়াত হ'বলগীয়া আছিয়ান শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে। হোৱাইট হাউছত এখন সংবাদমেলত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে ভাৰতৰ সৈতে আমেৰিকাৰ ভাল সম্পৰ্ক আছে আৰু ভাৰত এখন অতুলনীয় ৰাষ্ট্ৰ। আমেৰিকাৰ বিষয়াসকলৰ সৈতে পৰৱৰ্তী পৰ্য্যায়ৰ আলোচনাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতৰ বাণিজ্যিক প্ৰতিনিধি মণ্ডল ৱাছিংটনত থকাৰ সময়তে ৰাষ্ট্ৰপতি ট্ৰাম্পে কৰা এই মন্তব্যই বিশেষ তাৎপৰ্য্য বহন কৰিছে।

০০০০০০০

চৰকাৰে সন্ত্ৰাসবাদ, অপৰাধ আৰু দুৰ্নীতিৰ প্ৰতি শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে দোহাৰিছে। নতুন দিল্লীত আজি পলাতক অপৰাধীৰ প্ৰত্যৰ্পণ প্ৰত্যাহ্বান আৰু ৰণ কৌশল সম্পৰ্কীয় এখন সন্মিলন মুকলি কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সকলো অপৰাধীকে আইনৰ আওতালৈ অনাৰ বাবে দেশত এটা শক্তিশালী ব্যৱস্থা বিকশাই তোলা হৈছে। তেওঁ কয়, যে প্ৰতিগৰাকী পলাতক অপৰাধীৰ সৈতে ক্ষমাহীন দৃষ্টিভংগী গ্ৰহণ কৰা উচিত আৰু তেওঁলোকক দেশৰ ন্যায় ব্যৱস্থাৰ সন্মুখলৈ অনা উচিত। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সীমান্তৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে আইনৰ শাসন সুদৃঢ় কৰাৰ দিশে অগ্ৰসৰ হৈছে। চৰকাৰে ২০১৮ চনত পলাতক অৰ্থনৈতিক অপৰাধী আইন বলবৎ কৰিছে আৰু এই আইনৰ অধীনত কৰ্তৃপক্ষসমূহক পলাতক অপৰাধীসকলৰ দেশত থকা সম্পত্তি জব্দ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে বুলি শ্ৰীশ্বাহে মন্তব্য কৰে। তেওঁ কয়, যে এই আইন প্ৰণয়নৰ মাত্ৰ ৪ বছৰৰ ভিতৰত ২০০ কোটি ডলাৰৰো অধিক ধন উদ্ধাৰ কৰা হৈছে। দেশত ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনসমূহ শক্তিশালী কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে এনে আইনৰ বাবেই ২০১৪ৰ পৰা ২০২৩ চনৰ ভিতৰত প্ৰায় এহেজাৰ ২০০ কোটি ডলাৰৰ সম্পত্তি জব্দ কৰিব পৰা গৈছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সন্ত্ৰাসবাদ, অৰ্থনৈতিক অস্থিৰতা আৰু জলবায়ু পৰিৱৰ্তনে কঢ়িয়াই অনা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হোৱাৰ বাবে ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে। তেওঁ কয়, যে এই সমস্যাসমূহ পৰস্পৰৰ সৈতে জড়িত আৰু এইসমূহ ৰাষ্ট্ৰীয় সীমাৰ ঊৰ্ধত। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতিযোগিতামূলক দিশসমূহ এৰাই চলি অধিক সহযোগিতাৰ দৃষ্টিভংগী আঁকোৱালি লোৱাত গুৰুত্ব আৰোপ কৰে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰসংঘৰ বিভিন্ন অভিযানত অৱদান আগবঢ়োৱা ৰাষ্ট্ৰসমূহৰ মুৰব্বীসকলৰ সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে কয়, যে ভাৰতে সদায় সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে ন্যায়, মৰ্য্যাদা, সুযোগ আৰু সমৃদ্ধিৰ পোষকতা কৰি আহিছে। তেওঁ কয়, যে ভাৰতে শান্তি ৰক্ষা কৰাটো সভ্যতাজনিত প্ৰমূল্য আৰু সমগ্ৰ

বিশ্বক এটা পৰিয়াল বুলি গণ্য কৰে। তেওঁ লগতে বহুত্ববাদ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰতি দেশৰ আস্থাৰ বিষয়েও আলোকপাত কৰে। তেওঁ কয়, যে পৰিৱৰ্তিত ভূ-ৰাজনৈতিক প্ৰেক্ষাপটত বিশ্ব পৰিক্ৰমাৰ জটিলতা আৰু সংঘাতৰ প্ৰকাৰে শান্তি ৰক্ষাৰ দাবী তীব্ৰতৰ কৰি তুলিছে।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্তমান প্ৰশাসনে ভাৰতৰ সৈতে শক্তিৰ সহযোগিতা গভীৰ কৰি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে আৰু এই সন্দৰ্ভত আলোচনা চলি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে ভাৰতে কেইবাবছৰো ধৰি নিজৰ শক্তি আমদানি সম্প্ৰসাৰণ কৰিবলৈ প্ৰয়াস কৰি আহিছে আৰু যোৱা দশকত এই ক্ষেত্ৰত যথেষ্ট প্ৰগতি হৈছে।

শ্ৰীজয়ছোৱালে কয়, যে ভাৰতীয় গ্ৰাহকসকলৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে দেশৰ তেল আমদানিৰ নীতি যুগুতাই উলিওৱা হৈছে। মুখপাত্ৰগৰাকীয়ে কয়, যে শক্তিৰ স্থিৰ মূল্য সুনিশ্চিত কৰা আৰু নিৰাপদ শক্তি যোগান বৰ্তাই ৰখাটো দেশৰ শক্তি নীতিৰ দুটা মূল লক্ষ্য। ইয়াৰ ভিতৰত শক্তিৰ উৎসসমূহৰ সম্প্ৰসাৰণ আৰু বজাৰৰ স্থিতি অনুযায়ী ভিন ভিন উৎসৰ পৰা শক্তি ক্ৰয় কৰাটো অন্যতম বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

ব্ৰাজিলৰ উপ ৰাষ্ট্ৰপতি গেৰাল্ডো অল্কমিনে আজি নতুন দিল্লীত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা শ্ৰীঅল্কমিন আজি বিয়লি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে মন্ত্ৰী পৰ্য্যায়ৰ ব্যৱসায় পৰ্য্যালোচনা বৈঠকত মিলিত হ'ব। ব্ৰাজিলৰ উপ-ৰষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ পৰ্য্যালোচনা, অগ্ৰাধিকাৰৰ নতুন ক্ষেত্ৰৰ চিনাক্তকৰণ আৰু দুয়ো দেশৰ মাজৰ বহুমুখী কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। ব্ৰাজিল, দক্ষিণ আমেৰিকাত ভাৰতৰ সৰ্ববৃহৎ ব্যৱসায় সহযোগী।

০০০০০০০

ইজিপ্তৰ বিদেশ মন্ত্ৰী বদৰ আবদেলাটি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰকাশ কৰা মতে, বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰথমে ভাৰতৰ-ইজিপ্ত কৌশলগত আলোচনাত ভাগ ল'ব। বদৰ আবদেলাটিৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব ৰূপায়ণৰ অগ্ৰগতি আৰু বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত-বিনিময়ৰ পৰ্য্যালোচনাৰ সুযোগ দিব বুলি শ্ৰীজয়ছোৱালে উল্লেখ কৰে। এই ভ্ৰমণকালত আবদেলাটিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব।

০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিকভাৱে স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক দূৰদৰ্শন আৰু আকাশবাণীত প্ৰচাৰ আৰু সম্প্ৰচাৰৰ নিৰ্ধাৰিত সময়ৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিছে। আয়োগে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দলসমূহক দূৰদৰ্শন আৰু আকাশবাণীত বিনামূলীয়াকৈ প্ৰচাৰ আৰু সম্প্ৰচাৰৰ বাবে ডিজিটেল ভাউচাৰ প্ৰদান কৰিছে। এই অনুসৰি, প্ৰতিটো দলে দূৰদৰ্শন আৰু আকাশবাণীত

বিনামূলীয়া প্ৰচাৰ আৰু সম্প্ৰচাৰৰ বাবে ৪৫ মিনিটকৈ সময় লাভ কৰিব। আয়োগে লগতে কয়, যে ৰাজ্যখনৰ বিগত বিধানসভা নিৰ্বাচনত নিৰ্বাচনী প্ৰদৰ্শনৰ আধাৰত ৰাজনৈতিক দলসমূহক অতিৰিক্ত সময় দিয়া হ'ব। দলসমূহে নিৰ্দেশনা অনুসৰি আগতীয়াকৈ SCRIPT আৰু ৰেকৰ্ডিংসমূহ জমা দিব লাগিব। প্ৰচাৰ ভাৰতীয়ে বিহাৰৰ বাবে দূৰদৰ্শন আৰু আকাশবাণীত দুটাকৈ আলোচনা আৰু বিতৰ্কৰ অনুষ্ঠান আয়োজন কৰিব।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ৫০ খন পৰ্য্যটনথলীৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় পদক্ষেপৰ অধীনত নাগালেণ্ড চৰকাৰে জুক'ভেলীৰ নাম প্ৰস্তাৱ কৰিছে। উদয়পুৰত অনুষ্ঠিত ৰাজ্যিক পৰ্য্যটন মন্ত্ৰীসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলনত নাগালেণ্ডৰ পৰ্য্যটন আৰু উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী টেমজেন ইমনা এলঙে এই প্ৰস্তাৱ আগবঢ়ায়। কালি সামৰণি পৰা এই সন্মিলনত পৰ্য্যটন মন্ত্ৰালয়ৰ দ্বাৰা ৰাষ্ট্ৰীয় প্ৰত্যাহ্বান পদক্ষেপৰ জৰিয়তে বিশ্বমানৰ ৫০ খন পৰ্য্যটনথলী বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। নাগালেণ্ড চৰকাৰে ২৫০ কোটি টকা ব্যয়সাপেক্ষে ৰূপান্তৰমূলক উন্নয়নৰ আঁচনিৰে জুক'ভেলীক আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় পৰিৱেশ পৰ্য্যটনথলী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰকল্পত উপত্যকাখনৰ প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ সংৰক্ষিত কৰাৰ লগতে পৰিৱেশ অনুকূল বিলাসী হোটেল নিৰ্মাণ আৰু পৰ্য্যটকৰ বাবে অন্যান্য সুবিধা উপলব্ধ কৰাৰ বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ডেনমাৰ্ক অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতৰ লক্ষ্য সেন পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ এণ্ড্ৰাৰ্ছ এণ্ট'চেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। ইপিনে, ভাৰতৰ সাত্ত্বিকসাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টিৰ যুটীটোৱে কালি প্ৰি কোৱাৰ্টাৰফাইনেলত প্ৰৱেশ কৰে। চিৰাগ আৰু ৰণকীৰেড্ডীৰ যুটীটো আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলত চীনাটাইপেইৰ য়াং পো-হান আৰু লিউ কুৱাংহেঙৰ সন্মুখীন হ'ব। খেলখন দিনৰ ২ বাজি ৫০ মিনিটত আৰম্ভ হ'ব।

০০০০০০০

মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়া বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০০০

সমাপ্ত